بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّی عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়্যেদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই৪) য়ে ২০২০ চনৰ ২০ মাৰ্চত মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - তিনিটা দিনৰ পিছতেই হব ২৩ মাৰ্চ। এইটোৱে হল সেই দিন, যি দিনটোত হজৰত মছিহ মাওউদ (আঃ)য়ে বয়াতৰ শুভাৰম্ভ কৰিছিল। তাৰ পিছৰে পৰাই তেখেত (আঃ)ৰ দাবী মছিহ মাওউৰ সৈতে জামাত আহমদীয়াৰ ভিত্তি ৰচিত হৈছে। জমাতত এই দিনটোক মছিহ মাওউদ দিৱস হিচাপে পালন কৰা হয়। এই দিৱস উৎযাপন উপলক্ষে জলছাও অনুষ্ঠিত হৈ থাকে। হজৰত মছিহ মাওউদ (আঃ)ৰ দাবী আৰু তেখেত (আঃ)ৰ আগমনৰ উদ্দেশ্য সম্পৰ্কে এই দিৱসত আলোচনা কৰা হয়। গতিকে এই বিষয়ে মই আজি হজৰত মছিহ মাওউদ (আঃ)ৰ নিজৰ ভাষাত কিছুমান টোকা উল্লেখ কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বছৰ সম্ভৱত বেছিভাগ দেশবোৰতেই বিয়পাই থকা ভাইৰাছৰ কাৰণে জলছা অনুষ্ঠিত হব নোৱাৰে। গতিকে মোৰ খোতবাৰ উপৰিও এম-টি-এৰ মাজেৰে এই বিষয়ে প্ৰোগ্ৰাম আগবঢ়োৱা হব। সেই প্ৰোগ্ৰাম প্ৰত্যেক আহমদীয়ে নিজৰ ঘৰত সহপৰিয়ালে শুনিবলৈ চেষ্টা কৰিব।

হজৰত মছিহ মাওউদ (আইঃ)য়ে আঁহজৰত (ছাঃ)ৰ দাস হিচাপে তেখেত (ছাঃ)ৰ কাম আৰু দ্বীনক পৃথিবী ব্যাপী প্ৰচাৰ কৰিবলৈ আবিৰ্ভাৰ হৈছে। সেয়ে হজৰত মছিহ মাওউদ (আঃ)য়ে এঠাইত কৈছে যে - মই স্পষ্টভাৱে কওঁ যে এয়া মোৰ বিশ্বাস আৰু ধৰ্ম যে আঁহজৰত (ছাঃ)ৰ আনুগত্য আৰু অনুকৰণত চলাৰ বাহিৰে কোনো মানুহেই আধ্যাত্মিক কল্যাণ আৰু অনুগ্ৰহ লাভ কৰিব নোৱাৰে ।হজৰত মছিহ মাওউদ (আইঃ)য়ে কৈছে যে - মই সেই সম্পৰ্কে বৰ্ণনা কৰিম আৰু সেয়া প্ৰকাশ নকৰি মই থাকিব নোৱাৰো যে মই হলো সেইজন, যাক সময় অনুযায়ী মানৰ সংস্কাৰৰ নিমিত্তে পঠোৱা হৈছে, যাতে দ্বীন মানৰ হৃদয়ত সজীৱতাৰে প্ৰতিষ্ঠা কৰিব পৰা যায়। মই সেইদৰে প্ৰেৰিত হৈছো, যেনেকৈ মই ব্যাক্তিক কলিমুল্লাহৰ পিছত খোদা পুৰুষ হিচাপে পঠাইছিল। যাৰ পবিত্ৰ আত্মাক হিৰোডিছৰ শাসনতন্ত্ৰত পৰ্যাপ্ত দুঃখ যন্ত্ৰণাৰ পিছত আচমানলৈ উঠাই লোৱা হৈছে। হজৰত মছিহ মাওউদ (আইঃ)য়ে কেৱল মুছলমান সকলকেই নহয় বৰং প্ৰত্যেক জাতি আৰু ধৰ্মকেই নিজৰ আগমনৰ উদ্দেশ্য জনাই দিছে। গতিকে হজৰত মছিহ মাওউদ (আইঃ)য়ে এঠাইত কৈছে যে -

“এযাও স্পষ্ট যে এই যুগত খোদা তায়ালাৰ ফালৰ পৰা মোৰ আগমন কেৱল মাত্ৰ মুছলমান সকলৰ সংশোধনৰ বাবেই নহয় বৰং মুছলমান, হিন্দু আৰু ঈছাই তিনিওটা সম্প্ৰদায়ৰ সংশোধনৰ উদ্দেশ্য ঘটিছে। গতিকে খোদা তায়ালা যেনেকৈ মোক মুছলমান আৰু ঈছাই সকলৰ বাবে মছিহ মাওউদ হিচাপে প্ৰেৰণ কৰিছে তেনেকৈ হিন্দু সকলৰ বাবে মই অৱতাৰ স্বৰূপ হওঁ। এই কথাখিনি মই আজি বিছ বছৰতকৈ অধিক কাল ধৰি প্ৰচাৰ কৰি আছো যে - মই সেই পাপবোৰ দূৰীকৰনাৰ্থে যিবোৰে জমিন ভৰি পৰিছে, মই মছিহ ইবনে মৰিয়ম স্বৰূপ হওঁ আৰু তেনেকৈয়ে ৰাজা শ্ৰী কৃষ্ণ স্বৰূপে আহিছে, যিজন আছিল হিন্দু ধৰ্মৰ অৱতাৰ সকলৰ ভিতৰত অন্যতম এক অৱতাৰ।

আকৌ নিজৰ আৱিৰ্ভাৱৰ গুৰুত্ব সম্পৰ্কে হজৰত মছিহ মাওউদ (আইঃ)য়ে কৈছে যে - মানৱে আল্লাহ তায়ালাৰ আদেশৰ যি সামান্য বিৰুধীতা কৰে, সেয়া সকলোখিনিয়েই পাপৰ কাৰক। যেনেকৈ এজন সাধাৰণ চিপাহীয়ে লৈ অনা চৰকাৰী আদেশ অমান্য কৰিলে তাক দোষী সাব্যস্ত কৰা হয় আৰু শাস্তিও ভোগ কৰিব লগা হয়। নকল বিচাৰকৰ আদেশ অমান্য কৰিলেই যদি এনেকুৱা পৰিস্থিতি হয়, তেন্তে প্ৰকৃত বিচাৰ অধিপতিৰ (আহকামিল হাকেমিনৰ) ফালৰ পৰা প্ৰেৰিত জনৰ অসন্মান আৰু অযত্ন বা আওকান কৰাটো আল্লাহ তায়ালাৰ আদেশৰ কিমান ডাঙৰ অমান্যতা হব ! খোদা তায়ালা সৰ্বোচ্চ লাজুক গুনাৱলীৰ অধিকাৰী। খোদা তায়ালা সজ পৰিকল্পনা অনুযায়ী প্ৰয়োজনীয় সময়তেই অন্ধকাৰাছন্ন শতাব্দীৰ শিৰোভাগত এজনকৈ সাধু পুৰুষক প্ৰেৰণ কৰে, যাতে তেওঁ মানৱ সমাজক হিদায়েতৰ ফালে আহববান জনায়। তাৰ এই পৰিকল্পনা ভৰিৰে গচকি বিফল কৰিব বিচৰাটো, এটা ডাঙৰ পাপ হয়।

আকৌ তেখেত (আঃ)য়ে কৈছে যে - ইছলামৰ দৰে পাক পবিত্ৰ ধৰ্মৰ ওপৰত এনেকুৱা ভাৱে আক্ৰমন চলোৱা হৈছে যে, ইছলামৰ বিৰুদ্ধে যিবিলাক লিখনি ছপা হৈ আছে, যদি সেইবোৰ এঠাইত আনি জমা কৰা হয় তেন্তে এখন পাহাৰ সদৃশ হব। মুছলমান সকলৰ এনেকুৱা অৱস্থা হৈ উঠিছে যে, যেনিবা ইহঁতৰ মাজত প্ৰাণ নোহোৱা হৈছে, আৰু সকলোৰে মৰি গৈছে। এতিয়াও যদি খোদা তায়ালায় নীৰৱ হৈ থাকে তেন্তে আৰু নো কি অৱস্থা হব ? খোদা তায়ালাৰ এটা আক্ৰমণ মানৱৰ হাজাৰ আক্ৰমণতকৈ ডাঙৰ আৰু তীব্ৰতৰ আৰু ইয়াৰ দ্বাৰা এনেকুৱাই হৈ থাকে যে দ্বীনৰ আহববান সৰ্বোচ্চ আহববান হৈ পৰে।

আকৌ হজৰত আকদছ মছিহ মাওউদ (আঃ)য়ে জগতখনক সাধাৰণ ভাৱে নচিহত কৰিবলৈ গৈ কৈছে যে মোৰ শেষ নচিহত হল এয়া যে তোমালোকে নিজৰ ঈমান পৰীক্ষণ কৰা। এয়া যেন নহয় যে তোমালোকে অহংকাৰ, দাম্ভিকতা আৰু উদাসীনতা প্ৰদৰ্শন কৰি মহা পৰাক্ৰমী খোদা দৃষ্টিত দোষী সাব্যস্ত নোহোৱা। চোৱা ! খোদা তায়ালা তোমালোকৰ প্ৰতি এনেকুৱা সময়ত দৃষ্টি নিক্ষেপ কৰিছে, যি আচলতে দৃষ্টি দিয়াৰে সময় আছিল। গতিকে তোমালোকে চেষ্টা কৰা যাতে সকলো সৌভাগ্যৰ অংশীদাৰ হব পৰা।

তেখেত (আঃ)য়ে জগতবাসীক বুজনি দিছে যে খোদা তায়ালাৰ প্ৰেৰিতজনৰ সৈতে লড়াই নকৰিবা। যিহেতু আল্লাহ তায়ালা প্ৰেৰণ কৰিছে গতিকে সি তাক সহায়, সহযোগীতাও কৰিব, আৰু তাৰ সপক্ষে নিদৰ্শনও দেখুৱাব। তেখেত (আঃ)য়ে কৈছে যে - আল্লাহ তায়ালা মোক মৰ্যাদা সম্পন্ন শব্দৰে কৈছে যে "দুনিয়া মে এক নজিৰ আয়া, পৰ দুনীয়ানে উছ কো কবুল না কিয়া, লেকিন খোদা ওছে কবুল কৰেগা আউৰ বৰে জোৰ আওৱাৰ হামলোছে ওছ কি ছচ্ছাই জাহিৰ কৰ দেগা" অৰ্থ্যাৎ পৃথিবীত এজন সতৰ্ককাৰী আহিছে যদিও জগতবাসীয়ে তাক গ্ৰহন কৰা নাই, কিন্তু খোদা তাক গ্ৰহন কৰিব আৰু মহাক্ৰমী আক্ৰমনেৰে তাৰ সত্যতা প্ৰকাশ কৰিব।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে গতিকে বৰ্তমানলৈ দুশতকৈ অধিক দেশবোৰত বিস্তাৰ লাভ কৰা আহমদীয়া জমাতে এয়া ঘোষনা কৰি আছে যে আল্লাহ তায়ালা হজৰত মছিহ মাওউদ (আঃ)ৰ সত্যতা পৃথিবী ব্যাপি প্ৰমান সহ প্ৰকাশিত কৰিবলৈ লৈছে। আল্লাহ তায়ালা আমাকও তেখেত (আঃ)ৰ মিচন আগবঢ়াই লৈ যোৱাৰ অংশীদাৰ বনাওঁক আৰু আমাৰ ঈমান ও বিশ্বাস দৃঢ় প্ৰতিষ্ঠিত ৰাখক লগতে আমাক নিজৰ নিজৰ দায়িত্ব পালন কৰাৰ তৌফিক দান কৰক।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে বৰ্তমানলৈ পৃথিবী ব্যাপি বিয়পি পৰা কৰুনা ভাইৰাছ সম্পৰ্কে কৈছে যে - এই ভাইৰাছ জগত বাসীক এয়া চিন্তা কৰিবলৈ বাধ্য কৰি পেলাইছে যে খোদা তায়ালাৰ ফালে প্ৰত্যাবৰ্তন কৰিব লাগিব। কিন্তু প্ৰকৃত আৰু জীৱন্ত খোদা দেখোন কেৱল ইছলামৰ খোদাহে আছে। যিজনাই নিজৰ ফালে আহোঁতা জনক বাট দেখুৱাৰহে ঘোষনা কৰিছে কৰিছে। গতিকে এনে অৱস্থাত আমি নিজকে নিজে শুধৰাই লোৱাৰ প্ৰয়োজন আছে আৰু নিজৰ তবলিগ সুন্দৰ ভাৱে মানুহৰ ওচৰলৈ লৈ যোৱাৰ প্ৰয়োজন আছে। জগতক ইছলাম সম্পৰ্কে আগতকৈ বহুল ভাৱে পৰিচিত কৰোৱাৰ ব্যাপক প্ৰয়োজন পৰিছে আৰু প্ৰত্যেক আহমদীয়েই এয়া চেষ্টা কৰা উচিত যে, এওঁলোকে যেন জগতক কয় যে যদি নিজৰ কল্যাণ বিচৰা তেন্তে নিজৰ সৃষ্টি কৰ্তা খোদা তায়ালাক চিনি লোৱা যে পৰলৌকিক জীৱনৰ পৰিণতিয়ে হব আচল পৰিণতি। আল্লাহ তায়ালাৰ সৈতে কাকো অংশীদাৰ নাপাতিবা আৰু তাৰ সৃষ্টি জীৱৰ অধিকাৰ প্ৰদান কৰা। দুনিয়াদাৰ সকলেও কৈ আছে যে এই বিপদ আৰু বাঢ়ি যাব, গতিকে আমি আমাৰ কল্যাণৰ বাৰে অতি প্ৰয়োজন হল যে আমি খোদা তায়ালাৰ ফালে আগবাঢ়ি যাওঁ আৰু দুনীয়াখনক জনাওঁ যে আচল পৰিণতি হল পৰলৌকিক জীৱনৰ পৰিণতি।যাৰ কাৰণে আল্লাহ তায়ালাৰ ফালে তোমালোকক আহিবই লাগিব। এই বিষয়ে এজন বিশেষজ্ঞই মত প্ৰদান কৰিছে যে এই বিপদজ্জনক ভাইৰাচ জীয়াই থকাৰ বিৱৰ্তন অতি সাধাৰণ হৈ যোৱাৰ সম্ভাৱনা আছে আৰু আগলৈ কেইটামান বছৰৰ ভিতৰতে আৰু এটা নতুন ভাইৰাচৰ জন্ম হোৱাৰ সম্ভাৱনা আছে। তেওঁ আৰু লিখিছে যে ভৱিষ্যতলৈ প্ৰত্যেক তিনিটা বছৰৰ মূৰে মূৰে সম্ভৱত আৰু নতুন নতুন বেমাৰে দেখা দিব পাৰে। বিজ্ঞানীসকলে কৰুনা ভাইৰাচৰ ওপৰত বিজয় লাভ কৰিব পাৰে কিন্তু সংক্ৰামিত মহামাৰীৰ বিৰুদ্ধে মানৱতাৰ যুদ্ধ হব এটা অন্তহীন যুদ্ধ। মুঠতে এয়া হল এটা দীঘলীয়া ব্যাখা সেয়া ইয়াত বৰ্ণনা কৰা নহয়। মুঠতে আমি নিজৰ কল্যাণময় হোৱাৰ নিমিত্তে আমি আগতকৈ বেছি আল্লাহ আল্লাহ তায়ালাৰ সৈতে সম্পৰ্ক গঢ়াৰ বিশেষ প্ৰয়োজন আছে। আল্লাহ তায়ালা ইয়াৰ বাবে আমাক তৌফিক দান কৰক। কৰুনা সম্পৰ্কে মই আগতেই বিভিন্ন হিদায়েত আগবঢ়াইছো। সেয়া আকৌ

মনত পেলাই দি আছো কাৰণ এতিয়া এয়া গোটা বিশ্বত ব্যাপক ভাৱে বিয়পি গৈ আছে আৰু ইয়াতেও কৰুণাৰ প্ৰভাৱ ব্যাপক ভাৱে পৰি আছে। এতিয়া চৰকাৰে এই বিষয়ে কঠোৰ ব্যৱস্থাপনা হাতত লবলৈ বাধ্য হৈ পৰিছে আৰু ইতিমধ্যে লৈছেও। যেতিয়া এই বেমাৰত এজন ব্যাক্তি সংক্ৰামিত হৈ পৰিব তেতিয়া প্ৰত্যেককে এই বেমাৰে আক্ৰমণ কৰিব পাৰে। গতিকে প্ৰত্যেকই কঠোৰ সতৰ্কতা অৱলম্বন কৰা উচিত। চৰকাৰী আদেশ, নিষেধৰ ওপৰত আমল কৰিব লাগিব। বেছি বয়সৰ লোক অৰ্থ্যাৎ বৃদ্ধ লোক, আৰু অসুখত ভুগি থকা সকলে নাইবা এনেকুৱা বেমাৰী যাৰ শাৰিৰীক প্ৰতিৰোধক দূৰ্বল হৈ পৰিছে, তেওঁলোকে বেছি সাৱধান থকা উচিত। বৃদ্ধ বসয়ৰ লোক সকল ঘৰৰ বাহিৰলৈ নাযাব, মছজিদলৈ যাওঁতেই সাৱধানেৰে যাব। জুমাৰ নমাজ স্থানীয় মছজিদত পঢ়িব। যদি চৰকাৰী ভাৱে মছজিদত সমবেত হোৱাৰ ওপৰত নিষেদাজ্ঞা জাৰি কৰে। তেন্তে চৰকাৰৰ নিৰ্দেশ মানি চলিব। মহিলা সকলে মুঠৰ ওপৰত মছজিদলৈ যোৱা সাময়িক ভাৱে এৰি দিব। শাৰিৰীক প্ৰতিৰোধ ক্ষমতা বঢ়াই তুলিবলৈ নিজৰ সুস্থতা আৰু আৰামৰ ফালে মনোযোগ দিয়া উচিত। বালক -বালিকাক সোনকালে টোপনি অনা আৰু ৰাতিপূৱাই সোনকালে উঠাৰ অভ্যাস গঢ়ি তোলা। এওঁলোকক আঠ, ন ঘণ্টা টোপনি মাৰিবলৈ দিয়ক। বজাৰত বনোৱা খাদ্য বস্তুৰ পৰা বিৰত থাকক। বিশেষকৈ পেকেট জাতীয় বস্তু বজাৰৰ পৰা অনা বিৰত থাকক। বৰ্তমানে চিকিৎসক সকলে কৈ আছে যে বেছি বেছি পান কৰা উচিতি। এক ঘণ্টা অথবা আধা ঘণ্টা মুৰে মূৰে পানী পান কৰি থাকক, এই প্ৰক্ৰিয়াটোও এই বেমাৰৰ পৰা ৰক্ষা পোৱাৰ উপায়। হাত দুখন বাৰে বাৰে চাবোনেৰে পৰিষ্কাৰ কৰি ৰাখক। কম পক্ষে পাচঁবাৰ অজু কৰোঁতা সকলক এনেদৰে চাফ-চিকুন থকাৰ সুবিধা হৈ যায়। ৰুমাল অথবা হাত,নাক,মুখৰ আগত ৰাখি হাঁচি অথবা কাঁহ দিব যাতে কাহঁ-হাঁচিৰ কিবা অংশ যাতে বেলেগলৈ নাযায়। মুঠতে চাফ-চিকুনতাৰ বেছি প্ৰয়োজন, গতিকে পৰিষ্কাৰ পৰিছন্নতাৰ প্ৰতি লক্ষ্য ৰাখিব। কিন্তু শেষ অস্ত্ৰ হল দোৱা আৰু এয়া দোৱা কৰা উচিত যে - হে আল্লাহ আমাক এই বিপদৰ পৰা ৰক্ষা কৰা। সেই সকল আহমদীৰ বাবে বিশেষ ভাৱে দোৱা কৰিব যি সকলে এই বেমাৰত আক্ৰান্ত হৈ পৰিছে। কিবা কাৰণত নাইবা চিকিৎসকে সন্দেহ কৰিছে যে এই ভাইৰাচত আক্ৰান্ত নাইবা অইন কোনো বেমাৰত আক্ৰান্ত,সকলোৰে বাবে দোৱা কৰিব। যিকোনো বেমাৰত আক্ৰান্ত হৈ থকা বাবে দুৰ্বল হৈ পৰাৰ বাবেও ভাইৰাচ সংক্ৰামন হোৱাটো সহজ হৈ পৰে। গতিকে এই দুৰ্বল সকলৰ বাবেও দোৱা কৰক যাতে আল্লাহ তায়ালা তেওঁলোকক নিৰাপদ ৰাখে। মুঠতে সকলোৰে বাবে দোৱা কৰিব, আল্লাহ তায়ালায় যেন জগতক এই মহামাৰীৰ কবলৰ পৰা ৰক্ষা কৰে। যি সকলে বেমাৰত আক্ৰান্ত হৈছে তেওঁলোকক যেন আল্লাহ তায়ালা আৰোগ্য দান কৰে। প্ৰত্যেক আহমদীকেই বেমাৰৰ পৰা পূৰ্ণ আৰোগ্য দান কৰক। ইয়াৰ লগতে ঈমান আৰু বিশ্বাসত দৃঢ়তা জন্মোৱাৰ তৌফিক দান কৰক। (আমিন)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 20 March. 2020**

**(BOOK POST PARINTED MATTER)**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**